# Telephonic conversation between Prime Minister and President of the Russian Federation

September 18, 2020

---

# প্ৰধানমন্ত্ৰী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

ছেপ্তেম্বৰ 18, 2020

প্ৰধানমন্ত্ৰীয়ে আজি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভালমিদিন পুটিনৰ পৰা এটা ফোন কল লাভ কৰে।

প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে ৰাছিয়াৰ ৰাষ্ট্ৰপতিয়ে তেখেতক শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে তেখেতৰ শুভেচ্ছা গ্ৰহণ কৰে।

দুয়োগৰাকী নেতাই ভাৰত আৰু ৰাছিয়াৰ মাজত বিশেষ আৰু গুৰুত্বপূৰ্ণ কৌশলগত আংশীদাৰিত্ব ৰ বিষয়টো আৰু অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত দৃঢ় প্ৰতিশ্ৰুতি ব্যক্ত কৰে, আৰু ক'ভিড-19 মহামাৰীৰ স্বত্বেও দ্বিপাক্ষিক আলোচনাৰ গতি অব্যাহত ৰখাৰ কাৰণে প্ৰশংসা কৰে। এই সন্দৰ্ভত, তেওঁলোকে সম্প্ৰতি মস্কোত প্ৰতিৰক্ষা আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ কাৰ্যকৰী ভ্ৰমণৰ কথা উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী মোডীয়ে এই বছৰ ৰাছিয়াৰ অধ্যক্ষতাত সফলভাৱে এছ চি অ আৰু ব্ৰিকছ সন্মিলন আয়োজন কৰাৰ কাৰণে ৰাষ্ট্ৰপতি পুটিনক ধন্যবাদ জনায়। তেখেতে এই বছৰৰ শেষৰ ফালে এছ চি অ আৰু ব্ৰিকছ সন্মিলনত অংশগ্ৰহণ কৰাৰ লগতে ভাৰতৰ দ্বাৰা আয়োজিত এছ চি অ চৰকাৰ প্ৰমূখৰ পৰিষদৰ বৈঠকত অংশগ্ৰহণৰ বিষয়ে আগ্ৰহ প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী শ্ৰী মোডীয়ে ভাৰতৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কক শক্তিশালী কৰাৰ কাৰণে ব্যক্তিগতভাৱে ৰাষ্ট্ৰপতি পুটিনে যি প্ৰতিশ্ৰুতি পূৰণ কৰিছে তাৰ বাবে ধন্যবাদ জনাই আৰু পাৰস্পৰিক সুবিধাজনক তাৰিখত পৰৱৰ্তী দ্বিপাক্ষিক সন্মিলনত ৰাষ্ট্ৰপতি পুটিনক ভাৰততৈ স্বাগতম জনাবৰ বাবে অপেক্ষা কৰিছে বুলিও জানিবলৈ দিয়ে।

**নতুন দিল্লী**
**ছেপ্তেম্বৰ 17, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.